**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-06-2024
**Time :** 1800 Hrs.

***Assamese Evening Bulletin***

দেশৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা শেহতীয়া তথ্য মতে শাসনাধিস্থিত বিজেপি মিত্ৰজোঁটে ৯২ খন আসনত জয়ী হোৱাৰ বিপৰীতে ১৯৭ খনত আগবাঢ়ি আছে। আনহাতে, আই এন ডি এ মিত্ৰজোঁটে ২৯ খনত জয়লাভ কৰাৰ বিপৰীতে ২০৬ খনত আগবাঢ়ি আছে। বিজেপিয়ে অকলে ৮৭ খন আসনত জয়লাভ কৰাৰ বিপৰীতে ১৫১ খনত অগ্ৰগতি লাভ কৰি আছে। কংগ্ৰেছে ইতিমধ্যে ২৩খন আসনত জয়লাভ কৰাৰ উপৰি ৭৭ খন আসনত আগবাঢ়ি আছে। জনতা দল ছেকুলাৰে দুখন, আম আদমী পাৰ্টী আৰু হিন্দুস্তানী আবাম মৰ্চা ছেকুলাৰে এখনকৈ আসনত জয়লাভ কৰিছে।

ভোটগণনাৰ শেহতীয়া তথ্য অনুসৰি **বাৰাণসী** সমষ্টিত বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ নিকটৱৰ্তী প্ৰতিদ্বন্দ্বী অজয় ৰায়তকৈ ডেৰলাখতকৈ অধিক ভোটৰ ব্যৱধানত বিজয়ী হৈছে। গুজৰাটৰ গান্ধী নগৰ সমষ্টিৰ পৰা **অমিত শ্বাহে** জয়লাভ কৰিছে। কৰ্ণাটকৰ হাভেৰি সমষ্টিৰ পৰা বিজেপিৰ **বাসৱৰাজ বোম্মাই** বিজয়ী হৈছে। বাংগালোৰ নৰ্থ সমষ্টিত বিজেপি প্ৰাৰ্থী শোভা কৰণলাজে জয়লাভ কৰিছে। মধ্য প্ৰদেশৰ ইন্দোৰ সমষ্টিৰ পৰা বিজেপি প্ৰাৰ্থী **শংকৰ লালৱানি** জয়ী হৈছে। মেঘালয়ৰ তুৰা সমষ্টিত কংগ্ৰেছ দলৰ **ছলেং এ চাংমা** এন পি পিৰ আগাথা কে ছাংমাৰ বিপৰীতে জয়ী হৈছে। বিহাৰৰ গয়া সমষ্টিৰ পৰা হিন্দুস্তানী আৱাম মৰ্চাৰ **জিতনৰাম মাঝি** জয়ী হৈছে। মধ্য প্ৰদেশৰ বিদিশা সমষ্টিত **শিৱৰাজ সিং চৌহান**, বাংগালোৰ গ্ৰাম্যৰ পৰা ড° চি এন মঞ্জুনাথ, গুজৰাটৰ নৱচাৰি সমষ্টিত **চি আৰ পাটিল**, তেলেংগানৰ মালকাজগিৰি সমষ্টিত **এটালা ৰাজেন্দ্ৰ** জয়ী হৈছে। মধ্যপ্ৰদেশৰ দেৱাচ সমষ্টিত মহেন্দ্ৰ সিং ছোলাংকী, মধ্য প্ৰদেশৰ গুণা সমষ্টিত জ্যোতিৰাদিত্য সিন্ধিয়া, মান্দাচুৰ সমষ্টিত সুধীৰ গুপ্তা জয়ী হৈছে। **ৰাজস্থানৰ জয়পুৰ চহৰ** সমষ্টিত বিজেপিৰ মঞ্জু শৰ্মা আৰু **কৰ্ণাটকৰ চিত্ৰদুৰ্গ** সমষ্টিত বিজেপিৰ গোবিন্দ মাকথাপ্পা কাৰ্জ'ল বিজয়ী হৈছে। আনহাতে, **পাঞ্জাবৰ জলন্ধৰ** সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী চৰণজিৎ সিং চন্নী আৰু **ফতেহগড়** ছাহিব সমষ্টিৰ পৰা কংগ্ৰেছৰে অমৰ সিং জয়ী হৈছে। ৰাজ্যখনৰ ছাংৰুড় সমষ্টিৰ পৰা আম আদমী পাৰ্টীৰ গুৰমিৎ সিং মিট হায়াৰ বিজয়ী হৈছে। ইপিনে, **কেৰালাৰ আলাথুৰ** সমষ্টিত চি পি এমৰ কে ৰাধাকৃষ্ণণ বিজয়ী হৈছে। **কৰ্ণাটকৰ মন্দিয়া** সমষ্টিৰ পৰা জনতা দল ছেকুলাৰৰ এইচ ডি কুমাৰাস্বামীয়ে জয়লাভ কৰিছে। **গুজৰাটৰ ৰাজকোট** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী পৰষোত্তম ৰূপালা জয়ী হোৱাৰ বিপৰীতে **কৰ্ণাটকৰ ধাৰোৱাৰ** সমষ্টিৰ পৰা বিজেপিৰ প্ৰহ্লাদ যোশী জয়ী হৈছে। **কেৰালাৰ ৱায়ানাড** সমষ্টিত কংগ্ৰেছৰ ৰাহুল গান্ধী জয়ী হৈছে। **অৰুণাচল পশ্চিম সমষ্টিত** বিজেপি প্ৰাৰ্থী কেন্দ্ৰীয় মন্ত্ৰী কিৰেণ ৰিজিজু নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ নাৱাম টুকীতকৈ ১ লাখতকৈ অধিক ভোটৰ ব্যৱধানত জয়ী হৈছে। কেন্দ্ৰীয় মন্ত্ৰী অনুৰাগ সিং ঠাকুৰ **হিমাচল প্ৰদেশৰ হামিৰপুৰ** সমষ্টিত নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ ছটপাল ৰায়জাদাতকৈ ১ লাখ ৮২ হাজাৰতকৈ

অধিক ভোটৰ ব্যৱধানত জয়ী হৈছে। আনহাতে, **মান্দি** সমষ্টিত বিজেপিৰ কংগনা ৰাণাৱট কংগ্ৰেছৰ বিক্ৰমাদিত্য সিঙতকৈ ৭৪ হাজাৰৰো অধিক ভোটত জয়ী হৈছে।

**উত্তৰ প্ৰদেশৰ ৰায়বৰেলি** সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী ৰাহুল গান্ধী নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ দীনেশ প্ৰতাপ সিঙতকৈ প্ৰায় ৩ লাখ ৮৯ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। **মহাৰাষ্ট্ৰৰ বাৰামতি** সমষ্টিত এন চি পি শাৰদ পাৱাৰ গোটৰ প্ৰাৰ্থী সুপ্ৰিয়া চুলে এন চি পিৰ প্ৰাৰ্থী সুনেত্ৰা অজিতদাদা পাৱাৰতকৈ ৪৩ হাজাৰ ভোটত আগবাঢ়ি আছে। **গুৰগাঁও** সমষ্টিত কংগ্ৰেছ দলৰ ৰাজ বাববৰ নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ ৰাও ইন্দৰজিৎ সিঙতকৈ প্ৰায় ২২ হাজাৰ ভোটত আগবাঢ়ি আছে। **পোৰবন্দৰ** সমষ্টিত বিজেপিৰ আন এজন নেতা ড° মনসুখ মন্দাভিয়া কংগ্ৰেছৰ ললিত ৰছ'য়াতকৈ ৩ লাখ ৮০ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।ৰাষ্ট্ৰীয় সুৰক্ষা আইনৰ অধীনত ডিব্ৰুগড় কাৰাগাৰত বন্দী হৈ থকা নিৰ্দলীয় প্ৰাৰ্থী অমৃতপাল সিং **পাঞ্জাৱৰ খদুৰচাহিব** সমষ্টিত ১ লাখ ৪০ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। **ৰাজস্থানৰ আলৱাৰ** সমষ্টিত বিজেপিৰ ভূপেন্দৰ যাদৱ কংগ্ৰেছৰ ললিত যাদৱতকৈ ৫১ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। ৰাজ্যখনৰ **বিকানেৰ** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী বিজেপিৰ অৰ্জুন ৰাম মেঘৱাল কংগ্ৰেছৰ গোবিন্দৰাম মেঘৱালতকৈ ৫৪ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। **যোধপুৰ** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী গজেন্দ্ৰ সিং শেখাৱট নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ কৰণ সিং উচিয়াৰ্দাতকৈ ১ লাখ ১১ হাজাৰতকৈও অধিক ভোটত আগবাঢ়ি আছে। **কোটা** সমষ্টিত বিজেপিৰ প্ৰাৰ্থী তথা লোকসভাৰ অধ্যক্ষ ওম বিৰলা কংগ্ৰেছৰ প্ৰহ্লাদ গুঞ্জনতকৈ ৩৮ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

উত্তৰ প্ৰদেশৰ **লক্ষ্ণৌ** সমষ্টিত কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাথ সিং নিকটতম প্ৰতিদ্বন্দ্বী সমাজবাদী পাৰ্টীৰ ৰৱিদাস মেহৰুট্ৰাতকৈ ৬৭ হাজাৰতকৈ অধিক ভোটত আগবাঢ়ি আছে। ৰাজ্যখনৰ **আমেথিত** বিজেপিৰ জ্যেষ্ঠ নেতা স্মৃতি ইৰাণী নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছৰ কিশোৰী লালতকৈ  ১ লাখ ২০ হাজাৰৰো অধিক ভোটত পিছপৰি আছে। **ৰাজ্যখনৰ মেইনপুৰীত** সমাজবাদী পাৰ্টীৰ ডিম্পল য়াদৱ বিজেপিৰ জয়বীৰ সিঙতকৈ ২ লাখ ২০ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে।

আনহাতে, **উত্তৰ প্ৰদেশৰ মথুৰা** সমষ্টিত বিজেপি প্ৰাৰ্থী হেমা মালিনী কংগ্ৰেছৰ মুকেশ ধাংগাৰতকৈ ২ লাখ ৩৫ হাজাৰৰো অধিক ভোটত আগবাঢ়ি আছে। ইপিনে, ৰাষ্ট্ৰীয় ৰাজধানী **দিল্লী**ৰ সাতোখন আসনতে বিজেপিৰ প্ৰাৰ্থী আগবাঢ়ি আছে। **অন্ধ্ৰ প্ৰদেশ**ৰ ১৬ খন আসনত তেলেগু দেশম পাৰ্টী আৰু ৩ খনত বিজেপি আগবাঢ়ি আছে। **ত্ৰিপুৰা পূব** সমষ্টিত বিজেপি প্ৰাৰ্থী কীৰ্তি দেৱী দেববৰ্মনে জয়লাভ কৰাৰ ত্ৰিপুৰা পশ্চিম আসনত বিজেপিৰ প্ৰাৰ্থী বিপ্লৱ কুমাৰ দেৱে অগ্ৰগতি লাভ কৰিছে। **মধ্য প্ৰদেশৰ বিদিশা** সমষ্টিত বিজেপিৰ শিৱৰাজ সিং চৌহান নিকটতম প্ৰতিদ্বন্দ্বী কংগ্ৰেছ দলৰ প্ৰতাপ ভানু শৰ্মাতকৈ ৭ লাখতকৈ অধিক ভোটত আগবাঢ়ি আছে।

গুজৰাটৰ চুৰাট আসনত ইতিমধ্যে বিজেপিয়ে বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰিছে। উল্লেখযোগ্য যে চৰকাৰ গঠনৰ বাবে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিবলৈ যিকোনো এটা দলকে ২৭২ খন আসনৰ প্ৰয়োজন হ'ব।

০০০০০০০

অসমৰ ১৪টা লোকসভা সমষ্টিত কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত লোকসভা নিৰ্বাচনৰ ভোটগণনা প্ৰক্ৰিয়া পূৰ্ণগতিত অব্যাহত আছে। নিৰ্বাচন আয়োগৰ শেহতীয়া তথ্য অনুসৰি বিজেপিয়ে ৮খন আসনত আৰু এন ডি এ মিত্ৰজোঁটৰে অগপই বৰপেটা সমষ্টিত জয়লাভ কৰিছে। ইয়াৰ বিপৰীতে কংগ্ৰেছে ৩ খন আসনত জয়লাভ

কৰিছে। ডিব্ৰুগড় সমষ্টিত বিজেপিৰ সৰ্বানন্দ সোণোৱালে বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈক পৰাস্ত কৰে।

একেদৰে লখিমপুৰ, শোণিতপুৰ, কাজিৰঙা, শিলচৰ, ডিফু, গুৱাহাটী আৰু দৰং-ওদালগুৰিত জয়লাভেৰে বিজেপি নেতৃত্বাধীন এন ডি এৰ আসনৰ সংখ্যা ৯ লৈ বৃদ্ধি পাইছে।

লখিমপুৰ সমষ্টিত প্ৰদান বৰুৱাই কংগ্ৰেছৰ উদয় শংকৰ শইকীয়াক, কাজিৰঙাত কামাখ্যা প্ৰসাদ তাছাই কংগ্ৰেছৰ ৰ'জলীনা তিৰ্কিক, শিলচৰত পৰিমল শুক্লবৈদ্যই কংগ্ৰেছৰে সূৰ্যকান্ত সৰকাৰক, ডিফুত অমৰ সিং টিছ'ই নিৰ্দলীয় প্ৰাৰ্থী জে আই কাঠাৰক, গুৱাহাটীত বিজুলী কলিতা মেধিয়ে কংগ্ৰেছৰ মীৰা বৰঠাকুৰ গোস্বামীক আৰু দৰং-ওদালগুৰিত দিলীপ শইকীয়াই কংগ্ৰেছৰ মাধৱ ৰাজবংশীক পৰাস্ত কৰে।

লখিমপুৰ সমষ্টিত নিৰ্বাচনী ফলাফল সম্পৰ্কীয় শেহতীয়া প্ৰতিবেদনেৰে এয়া লখিমপুৰৰ পৰা আমাৰ সংবাদদাতা হিমাদ্ৰী দিহিংগীয়া —-

**:: ভইচ ::**

ইপিনে কংগ্ৰেছে ধুবুৰী, যোৰহাট আৰু নগাঁও সমষ্টিত জয়লাভ কৰিছে। ধুবুৰী সমষ্টিত কংগ্ৰেছৰ ৰকিবুল হুছেইনে নিকটতম প্ৰতিদ্বন্দ্বী এ আই ইউ ডি এফৰ বদৰুদ্দিন আজমলক ৮ লাখৰো অধিক ভোটৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। একেদৰে যোৰহাটত কংগ্ৰেছৰে গৌৰৱ গগৈয়ে নিকটতম প্ৰতিদ্বন্দ্বী বিজেপিৰ তপন গগৈক আৰু নগাঁও সমষ্টিত কংগ্ৰছ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে বিজেপিৰ সুৰেশ বৰাক পৰাস্ত কৰিবলৈ সমৰ্থ হয়।

ইফালে কোকৰাঝাৰ সমষ্টিত ইউ পি পি এলৰ জয়ন্ত বসুমতাৰীয়ে বিপিএফৰ খাম্ফা বৰগয়াৰীৰ বিৰুদ্ধে ৪৯ হাজাৰৰো অধিক ভোটৰ অগ্ৰগতিত জয় প্ৰায় সুনিশ্চিত কৰিছে। একেদৰে কৰিমগঞ্জ সমষ্টিত তুমুল প্ৰতিদ্বন্দ্বিতাৰ অন্তত কংগ্ৰেছ প্ৰাৰ্থী হাফিজ ৰচিদ আহমেদ চৌধুৰীয়ে বিজেপিৰ কৃপানাথ মাল্লাৰ বিপৰীতে জয়ৰ দিশে অগ্ৰসৰ হৈছে।

ooooooo

**সমাপ্ত**